**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-05-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। চীফ অব্ ডিফেন্স ষ্টাফ, স্থল সেনাৰ মুৰব্বী, নৌ সেনাৰ মুৰব্বী আৰু বায়ুসেনাৰ মুৰব্বীয়ে আজি ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰি সিন্দূৰ অভিযানৰ বিষয়ে অৱগত কৰে।

২। ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গৱইয়ে ভাৰতৰ ৫২ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰিছে।

৩। চীনে ভিত্তিহীন আৰু হাস্যস্পদ প্ৰয়াসৰ অংশ হিচাপে অৰুণাচল প্ৰদেশৰ কেতবোৰ স্থানক নতুন নামেৰে নামাকৰণ কৰাৰ প্ৰচেষ্টাক ভাৰতে স্পষ্টভাৱে অস্বীকাৰ কৰিছে।

৪। পাঞ্জাবত বিষাক্ত সুৰা পান কৰাৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ২৩ লৈ বৃদ্ধি পাইছে।

আৰু

৫। আকৰ্ষি কাশ্যপ আৰু উন্নতি হুদাই থাইলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

চীফ অব্ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহান, স্থল সেনাৰ মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, নৌ সেনাৰ মুৰব্বী এডমিৰেল দীনেশ কে ত্ৰিপাঠী আৰু বায়ুসেনাৰ মুৰব্বী এয়াৰ মাৰ্শ্বেল এ পি সিঙে সিন্দুৰ অভিযানৰ সফল ৰূপায়ণ সন্দৰ্ভত আজি নিজৰ মতামত আৰু অভিজ্ঞতাৰ বিষয়ে প্ৰকাশ কৰে। আলোচনাত স্পষ্ট সংজ্ঞাকৃত কৌশলগত নীতি-নিৰ্দেশনা আৰু আধুনিক, বহুপাক্ষিক অভিযানৰ ফলপ্ৰসূ ৰূপায়ণৰ জৰিয়তে সেনা বাহিনীৰ তিনিওটা শাখাৰ মাজত গঢ়ি উঠা সমন্বয়ৰ বিষয়ে আলোকপাত কৰা হয়। সিন্দূৰ অভিযানৰ সময়ত সেনা বাহিনীৰ তিনিওটা শাখাৰ যৌথ ক্ষমতাৰ সাৰ্থক প্ৰদৰ্শন দেখিবলৈ পোৱা যায়। এই অভিযানত প্ৰবীণ সৈনিক আৰু কৌশলগত বিশেষজ্ঞৰ সৈতে হোৱা আলাপ-আলোচনাৰ অৱদানো প্ৰত্যক্ষ কৰা হয়।

০০০০০০০০০

ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গৱইয়ে আজি ভাৰতৰ ৫২ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি পুৱা ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা বিশেষ অনুষ্ঠানত ন্যায়াধীশ গৱইক শপত বাক্য পাঠ কৰোৱায়। ন্যায়াধীশ বি আৰ গৱাই কালি কাৰ্যকাল সমাপ্ত হোৱা ন্যায়াধীশ সঞ্জীৱ খান্নাৰ স্থলাভিষিক্ত হ'ব। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশে শপত গ্ৰহণ অনুষ্ঠানত ভাগ লয়।

০০০০০০০০০

প্ৰতিৰক্ষা বাহিনীৰ মুৰব্বী জেনেৰেল অনিল চৌহানৰ লগতে সেনা বাহিনীৰ মুৰব্বী উপেন্দ্ৰ দ্বিবেদী, বায়ুসেনাৰ মুৰব্বী চীফ মাৰ্শ্বেল এ পি সিং আৰু নৌসেনাৰ মুৰব্বী এডমিৰেল দীনেশ কে ত্ৰিপাঠীয়ে আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক অপাৰেচন সিন্দূৰ সন্দৰ্ভত অৱগত কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত ৰাষ্ট্ৰপতিগৰাকীয়ে সেনা বাহিনীৰ জোৱানসকলৰ বীৰত্ব আৰু আত্মোৎসৰ্গাৰ মনোভাৱক প্ৰশংসা কৰে। সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতে গ্ৰহণ কৰা কঠোৰ যুঁজখনত সেনা বাহিনীয়ে মুখ্য ভূমিকা গ্ৰহণ কৰিছে বুলিও ৰাষ্ট্ৰপতি শ্ৰী মুৰ্মুৰে প্ৰকাশ কৰে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে ড° অজয় কুমাৰক কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অধ্যক্ষ হিচাপে নিয়োগ কৰিছে। কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগে জাৰি কৰা নিৰ্দেশনা অনুসৰি ড° কুমাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ দিনৰে পৰা অধ্যক্ষ হিচাপে তেওঁৰ কাৰ্যাকাল আৰম্ভ হ'ব। ড° কুমাৰ ১৯৮৫ বেট্‌ছৰ কেৰালা কেডাৰৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ এগৰাকী অৱসৰপ্ৰাপ্ত বিষয়া। তেওঁ ইয়াৰ পূৰ্বে ২০১৯ চনৰ পৰা ২০২২ চনৰ অক্টোবৰলৈকে প্ৰতিৰক্ষা সচিব হিচাপে কৰ্মৰত আছিল।

০০০০০০০০০

চীনে ভিত্তিহীন আৰু হাস্যস্পদ প্ৰয়াসৰ অংশ হিচাপে অৰুণাচল প্ৰদেশৰ কেতবোৰ স্থানক নতুন নামেৰে নামাকৰণ কৰাৰ প্ৰচেষ্টাক ভাৰতে স্পষ্টভাৱে অস্বীকাৰ কৰিছে। সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে আজি কয়, যে এনেধৰণৰ কাৰ্য মুঠেও গ্ৰহণযোগ্য নহয় আৰু ই ভাৰতৰ সু-সংগত আৰু সিদ্ধান্তবাদী স্থিতি সম্পূৰ্ণ বিপৰীত। তেওঁ লগতে কয়, যে সৃষ্টিশীল নামকৰণে অৰুণাচল প্ৰদেশ ভাৰতৰ অভিন্ন আৰু অবিচ্ছেদ্য অংগ আৰু আগলৈও হৈ থাকিব, সেই স্পষ্ট আৰু নিৰ্বিবাদ বাস্তৱিকতা সলনি কৰিব নোৱাৰে।

০০০০০০০০০

দেশত পাইকাৰী মূল্য সূচ্যাংক আধাৰিত মুদ্ৰাস্ফীতি যোৱা এপ্ৰিলত দশমিক ৮ - ৫ শতাংশলৈ হ্ৰাস পাইছে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে আজি এই সম্পৰ্কীয় তথ্য প্ৰকাশ কৰে। মাৰ্চত পাইকাৰী মূল্য সূচ্যাংক আধাৰিত মুদ্ৰাস্ফীতি ২ দশমিক ০ - ৫ শতাংশ আছিল।

০০০০০০০০০

ফ্ৰান্সৰ ফ্ৰেন্স ৰিভেৰাত ৭৮ সংখ্যক কাঁ চলচ্চিত্ৰ মহোৎসৱৰ ৰেড কাৰ্পেট আৰু আকৰ্ষণীয় উদ্বোধনী অনুষ্ঠানেৰে কালি আৰম্ভ হয়। ১২ দিনীয়া কাৰ্যসূচীৰে আয়োজিত এই চলচ্চিত্ৰ মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত প্ৰবীন আমেৰিকান অভিনেতা, প্ৰযোজক আৰু নিৰ্দেশক ৰবাৰ্ট ডি নিৰুক সন্মানীয় পালমে ডি অ'ৰ প্ৰদান কৰা হয়। এই আন্তঃৰাষ্ট্ৰীয় চিনেমাৰ মঞ্চত ভাৰতে পুনৰ কেইবাখনো উল্লেখনীয় ছবি প্ৰদৰ্শন কৰিব। সৌমিত্ৰ ছেটাৰ্জী আৰু শৰ্মিলা টেগ'ৰ অভিনিত প্ৰসিদ্ধ ছবি নিৰ্মাতা সত্যজিৎ ৰায়ৰ ১৯৭০ চনত নিৰ্মিত ছবি **অৰণ্যেৰ দিন-ৰাতি** ক্লাছিক শাখাত প্ৰদৰ্শন কৰা হ'ব। নিৰ্দেশক নিৰজ ঘেৱনৰ **হোমবাউণ্ড** শীৰ্ষক ছবিখন আন ছাৰ্টেইন ৰেগাৰ্ড শাখাৰ বাবে নিৰ্বাচিত হৈছে। এই মহোৎসৱত বিশিষ্ট অভিনেতা অনুপম খেৰৰ নিৰ্দেশনাৰ প্ৰথমখন ছবি **তনবি ঃ দ্যা গ্ৰেট**ৰ ৱৰ্ল্ড প্ৰিমিয়াৰ হ'ব।

০০০০০০০০০

পাঞ্জাবৰ অমৃতচৰৰ মজিথা বিধানসভা সমষ্টিৰ অধীনৰ ৪ খন গাওঁৰ জনসাধাৰণে ইথানলৰ পৰা প্ৰস্তুত কৰা বিষাক্ত সুৰা পান কৰাৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ২৩ লৈ বৃদ্ধি পাইছে। সুৰা পান কৰাৰ পাছত অসুস্থ হৈ পৰা ১৩ জন লোক এতিয়াও চিকিৎসাধীন হৈ আছে আৰু তেওঁলোকৰ অৱস্থা সুস্থিৰ বুলি কোৱা হৈছে। অমৃতসৰৰ অসামৰিক শল্য চিকিৎসক কিৰণদীপে এই কথা নিশ্চিত কৰি কৈছে যে সুৰাপান কৰা লোকক বিচাৰি মজিথা আৰু থ্ৰেৱাল অঞ্চলৰ ৭ খন গাঁৱৰ ঘৰে ঘৰে গৈ জৰীপ চলোৱা হৈছে।

০০০০

পাঞ্জাবৰ ফিৰোজপুৰ খণ্ডৰ আন্তঃৰাষ্ট্ৰীয় সীমান্ত অতিক্ৰম কৰি ভুলবশত পাকিস্তানত প্ৰৱেশ কৰাৰ বাবে ২৩ এপ্ৰিলত দেশখনৰ  সীমান্ত সুৰক্ষা বাহিনী পাকিস্তান ৰেঞ্জাৰ্ছে গ্ৰেপ্তাৰ কৰা পূৰ্ণম কুমাৰ ছাৱ নামৰ সীমান্ত সুৰক্ষা বাহিনী বি এছ এফৰ জোৱানজন আজি পুৱা স্বদেশলৈ উভতি আহে। বি এছ এফৰ সূত্ৰসমূহে আমাৰ জলন্ধৰৰ সংবাদদাতাৰ আগত জোৱানজন উভতি অহাৰ কথা নিশ্চিত কৰিছে। জোৱানজনক অমৃতসৰৰ আট্টাৰীৰ যুঁটীয়া সীমান্ত পহৰা চকীৰ জৰিয়তে ভাৰতৰ হাতত গতাই দিয়া হয় বুলি সূত্ৰসমূহে প্ৰকাশ কৰিছে। গ্ৰেপ্তাৰৰ সময়ত জোৱানজন এটা দলৰ সৈতে সীমান্তৰ বেৰৰ সমীপত কৰ্মৰত কৃষকসকলক পহৰাৰ কামত নিয়োজিত আছিল।

০০০০০০০০০

কেন্দ্ৰীয় কৃষি, কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহান উত্তৰ পূৰ্বাঞ্চলৰ তিনিখন ৰাজ্যৰ চাৰিদিনীয়া ভ্ৰমণসূচীৰে আজি বিয়লি গুৱাহাটীত উপস্থিত হ'ব। মন্ত্ৰীগৰাকী গুৱাহাটীৰ পৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ যাব। তাত তেওঁ নিশাটো কটাব। শ্ৰী চৌহান কালি নিচেই পুৱা মিজোৰামলৈ বুলি ৰাওনা হ'ব। ভ্ৰমণকালত  মন্ত্ৰীগৰাকীয়ে মিজোৰাম আৰু নাগালেণ্ডৰ কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে শনিবাৰে গুৱাহাটীত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ এটা অনুষ্ঠানত ভাগ ল'ব।

০০০০০০০০০

চৰকাৰে ২৩ ছেপ্তেম্বৰক আয়ুৰ্বেদ দিৱস হিচাপে ঘোষণা কৰিছে। আয়ুষ মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে পূৰ্বে ধনতেৰচৰ দিনা পালন কৰি অহা আয়ুৰ্বেদ দিৱস এতিয়াৰে পৰা ২৩ ছেপ্তেম্বৰত পালন কৰা হ'ব। মন্ত্ৰ্যালয়ে উল্লেখ কৰে যে, আয়ুৰ্বেদক বিজ্ঞানসন্মত, প্ৰমাণ আধাৰিত আৰু সামগ্ৰিক চিকিৎসা পদ্ধতি হিচাপে প্ৰচাৰ কৰাৰ বাবে প্ৰতি বছৰে এই দিৱস পালন কৰা হয়। মন্ত্ৰ্যালয়ে সকলো নাগৰিক, স্বাস্থ্য খণ্ডৰ সৈতে জড়িত ব্যক্তি, সংস্থা তথা আন্তঃৰাষ্ট্ৰীয় অংশীদাৰসকলক নতুনকৈ নিৰ্ধাৰিত দিনটোক গ্ৰহণ কৰি প্ৰতি বছৰে ২৩ ছেপ্তেম্বৰত আয়ুৰ্বেদ দিৱস সক্ৰিয়ভাৱে পালন কৰিবলৈ আহ্বান জনায়।

০০০০০০০০০

থাইলেণ্ড অ'পেন প্ৰতিযোগিতাত ভাৰতীয় শ্বাট্‌লাৰ আকৰ্ষি কাশ্যপ আৰু উন্নতি হুদাই আজি পুৰা বেংককত আকৰ্ষণীয় জয়েৰে প্ৰি-কোৱাৰ্টাৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰিছে।

আকৰ্ষি কাশ্যপে মহিলাৰ ছিংগল্‌ছত জাপানৰ কৌৰ' ছুজিয়ামাৰ বিৰুদ্ধে যুঁজি ২১-১৬, ২০-২২ আৰু ২২-২০ ৰ ব্যৱধানত জয়লাভ কৰে। ইপিনে, উন্নতি হুদাই থাইলেণ্ডৰ থামনৱান নিতি তিকাৰাইৰ বিৰুদ্ধে ২১-১৪, ১৮-২১, ২৩-২১ৰ ব্যৱধানত জয়লাভ কৰে।

পুৰুষৰ ছিংগল্‌ছত বিশ্ব ৰেংকৰ ১৮ নম্বৰ খেলুৱৈ লক্ষ্য সেনে আয়াৰলেণ্ডৰ নাহট নুগুয়েনৰ হাতত ১৮-২১, ২১-৯, ১৭-২১ৰ ব্যৱধানত পৰাস্ত হয়।

মহিলাৰ ডাবল্‌ছত গায়ত্ৰী গোপীচান্দ আৰু ত্ৰিশা জলীয়ে আজি বিয়লি মালয়েছিয়াৰ কাৰ্মেন টিং আৰু অং-চিন য়িৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

সমাপ্ত